গুৱাহাটী আৰু শিলচৰৰ পৰা প্ৰকাশিত
গৌৰৱোজ্জ্বল যাত্ৰাৰ ত্ৰিংশতম বৰ্ষ
দৈনিক
মূক জনতাৰ মুক্ত কণ্ঠ
গণ অধিকাৰ
GUWAHATI VOL XXX NO. 280 SATURDAY 18 MAY 2024

# নৱজ্যোতি মহাবিদ্যালয়ত কেৰিয়াৰ কাউন্সেলিং, ৰাষ্ট্ৰীয় শিক্ষা নীতি বিষয়ক সজাগতা সভা



গণ বাৰ্তা, কলগাছিয়া, ১৭ মে' ঃ কলগাছিয়াস্থিত নৱজ্যোতি মহাবিদ্যালয়ত ১৪ মে' ২০২৪ তাৰিখে কেৰিয়াৰ কাউন্সেলিং, এণ্ড গাইডিয়েন্স চেল'ৰ উদ্যোগত কেৰিয়াৰ কাউনচেলিং আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতি বিষয়ক এক সজাগতা সভা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সজাগতা অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে গুৱাহাটীস্থিত আসাম ৰয়েল গ্লবেল ইউনিভাৰ্ছিটীৰ ইতিহাস বিভাগৰ সহকাৰী অধ্যাপিকা তানজিন মাচুদ, ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক মুকেশ কলিতা আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা তানজিলা মেহবুবে। তানজিল মাচুদে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি কেৰিয়াৰ নিৰ্বাচন, প্ৰস্তুতি আৰু সফলতাৰ বাবে প্ৰয়োজনীয় পৰিকল্পনা সম্পৰ্কে আলোচনা কৰে। আন এগৰাকী সমল ব্যক্তি মুকেশ কলিতাই ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰি ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰত সফলতাৰ বাবে কৰা প্ৰস্তুতি সম্পৰ্কে অৱগত কৰে। তেনেদৰে তানজিলা মেহবুবে ছাত্ৰ-ছাত্ৰীৰ আৰ্থিক স্বচ্ছলতা আৰু জলপানিৰ সুবিধা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ সৈতে অন্তৰংগ আলাপ কৰে। ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° ফখৰুল আলমে আঁত ধৰা অনুষ্ঠানত অধ্যক্ষ ড° ছাহজাহান আলী আহমেদে আদৰণী ভাষণ আগবঢ়ায়। মহাবিদ্যালয়ৰ শৈক্ষিক পৰ্যবেক্ষক কুমৰুজ জামানকে ধৰি বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা উপস্থিত থকা অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় ৰসায়ন বিভাগৰ সহকাৰী অধ্যাপক ড° হেমন্ত হাজৰিকাই।